# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 14-02-2025
**Time :** 1340 hrs

## Assamese Midday Bulletin
## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সৈতে আলোচনাৰ পাছত কয়, যে তেওঁলোকে দুয়োখন দেশৰ প্ৰগতি আৰু সমৃদ্ধি সুনিশ্চিত কৰাৰ বাবে কাম কৰি যাব। প্ৰধানমন্ত্ৰীৰ দুদিনীয়া আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ আজি সামৰণি পৰে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান চলাই সকলো সন্ত্ৰাসবাদীক সম্পূৰ্ণৰূপে ধ্বংস কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ সংকল্পবদ্ধ।

৩। উচ্চতম ন্যায়ালয়ে ইউটিউবাৰ ৰনভীৰ এলাহাবাদীয়াৰ বিৰুদ্ধে ৰুজু হোৱা কেইবাটাও গোচৰ সন্দৰ্ভত অভিযুক্তগৰাকীৰ ভাষ্য শুনাৰ বাবে সন্মতি প্ৰকাশ কৰিছে।

*আৰু*

৪। কিছু সময়ৰ পাছতে উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ সামৰণী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ছাৰ্ভিচেছে ৬৮ টা সোণৰ পদকেৰে সমাৰোহত পঞ্চমবাৰৰ বাবে শীৰ্ষ স্থান অধিকাৰ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ দুদিনীয়া আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ সামৰি ভাৰতলৈ উভতি আহে। এই ভ্ৰমণৰ পূৰ্বে শ্ৰী মোদীয়ে তিনিদিনীয়া কাৰ্যসূচীৰে ফ্ৰান্স ভ্ৰমণ কৰে। যোৱা ১০ ফেব্ৰুৱাৰীত তেওঁৰ এই যাত্ৰা আৰম্ভ হৈছিল। আজি ওভতনি যাত্ৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে ৱাশ্বিংটন ডিচিৰ হোৱাইট হাউছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক সাক্ষাৎ কৰে। সাক্ষাৎকালত প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ ট্ৰাম্পৰ সৈতে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ কৌশলগত সহযোগিতাক আগুৱাই লৈ যাব। তেওঁ কয়, যে শ্ৰীট্ৰাম্পে উভয় দেশৰ মাজৰ সম্পৰ্কক সৰ্বাত্মক পৰ্যায়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগবঢ়াইছে। প্ৰধানমন্ত্ৰীয়ে এই সন্দৰ্ভত টেক্সাছৰ হাউদী মোদী আৰু গুজৰাটৰ নমস্তে ট্ৰাম্প অনুষ্ঠানৰ বিষয়ে স্মৰণ কৰে। তেওঁ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত লাভ কৰা ঐতিহাসিক বিজয়ৰ বাবে ডোনাল্ড ট্ৰাম্পক অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয়, যে তেওঁলোকে দুয়োখন দেশৰ প্ৰগতি আৰু সমৃদ্ধি সুনিশ্চিত কৰাৰ বাবে কাম কৰি যাব। বৰ্তমানৰ সময় যুদ্ধৰ সময় নহয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে সকলো বিষয় কূটনৈতিকভাৱে সমাধান কৰা উচিত।

ৰাষ্ট্ৰপতি ট্ৰাম্পে শান্তি ঘূৰাই অনাৰ বাবে পদক্ষেপ লোৱাক লৈ শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বই এই ক্ষেত্ৰত ভাৰতৰ নিৰপেক্ষ ৰাষ্ট্ৰ বুলি গণ্য কৰে যদিও ভাৰত নিৰপেক্ষ নহয়, বৰঞ্চ সদায় শান্তিৰ পক্ষত থিয় দি অহা এখন ৰাষ্ট্ৰহে।

সাক্ষাৎকালত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে শ্ৰীমোদীক তেওঁৰ পুৰণি বন্ধু আৰু এগৰাকী মহান নেতা বুলি আখ্যা দিয়ে।

ooooo

কেন্দ্ৰীয় বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ দ্বিতীয়টো কাৰ্যকালৰ আৰম্ভণিৰ তিনি সপ্তাহৰ ভিতৰতে প্ৰধানমন্ত্ৰীয়ে দেশখন ভ্ৰমণ কৰাটোক দুয়োখন দেশৰ মাজৰ সম্পৰ্কক নেতা দুগৰাকীয়ে অগ্ৰাধিকাৰ দিয়াৰ পৰিচায়ক বুলি অভিহিত কৰিছে। ৱাশ্বিংটন ডি চিত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক সচিব গৰাকীয়ে কয়, যে শ্ৰী মোদীৰ এই ভ্ৰমণৰ সময়ছোৱাত দেশ দুখনৰ মাজৰ প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনৈতিক সহযোগিতা, প্ৰযুক্তি আদিকে ধৰি ভালেমান বিষয়ক লৈ পাৰস্পৰিক সহযোগিতাৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি নেতা দুগৰাকীয়ে উভয়পক্ষ উপকৃত হ'ব পৰাকৈ ভিন ভিন খণ্ডক সামৰি দ্বিপাক্ষিক বাণিজ্যিক চুক্তিত উপনীত হ'ব পৰাকৈ চলিত বছৰটোৰ শৰৎ কালৰ ভিতৰতে আলোচনা আৰম্ভ কৰাৰ বিষয়েও ঘোষণা কৰে বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰী মিশ্ৰিয়ে লগতে কয়, যে প্ৰতিৰক্ষাৰ দিশতো দুয়োখন দেশৰ মাজৰ পাৰস্পৰিক সহযোগিতা সন্দৰ্ভত নেতা দুগৰাকীয়ে গুৰুত্ব সহকাৰে মত বিনিময় কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুলৱামাৰ আক্ৰমণত প্ৰাণ হেৰুওৱা জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে জোৱানসকলৰ ত্যাগ আৰু দেশৰ প্ৰতি আগবঢ়োৱা সমৰ্পণৰ কথা আহিবলগীয়া প্ৰজন্মই কেতিয়াও নাপাহৰে। উল্লেখযোগ্য যে পুলৱামাত সংঘটিত আক্ৰমণৰ ঘটনাৰ আজি ছবছৰ সম্পূৰ্ণ হয়।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কয়, যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান চলাই সকলো সন্ত্ৰাসবাদীক সম্পূৰ্ণৰূপে ধ্বংস কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ সংকল্পবদ্ধ। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে পুলৱামা আক্ৰমণত প্ৰাণ হেৰুওৱা সেনা জোৱানসকললৈ শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ কয়, যে সন্ত্ৰাসবাদ হৈছে মানৱজাতিৰ সবাতোকৈ ডাঙৰ শত্ৰু আৰু সমগ্ৰ বিশ্বই ইয়াৰ বিৰুদ্ধে একগোট হৈ থিয় দিছে। তেওঁ লগতে কয়, যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে এন ডি এ চৰকাৰে শূন্য সহনশীলতাৰে কাম কৰিছে।

ooooo

প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত ছেহগালে মহাকুম্ভ মেলাৰ বা-বাতৰি প্ৰচাৰ কৰা **কুম্ভৱাণী** কেন্দ্ৰই সত্য আৰু নিৰ্ভৰযোগ্য তথ্য প্ৰদান কৰাৰ ক্ষেত্ৰত থকা প্ৰসাৰ ভাৰতীৰ উদ্দেশ্যক প্ৰতিফলিত কৰিছে বুলি প্ৰকাশ কৰিছে। প্ৰয়াগৰাজৰ কুম্ভৱাণী ৰেডিঅ' কেন্দ্ৰত কালি আয়োজিত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীছেহগালে এই কথা প্ৰকাশ কৰে। তেওঁ কুম্ভৱাণী কেন্দ্ৰৰ কাম-কাজৰ শলাগ লয় আৰু কয় যে, মহাকুম্ভ মেলাৰ বিষয়ে পোনপটীয়াকৈ

প্ৰচাৰ কৰাৰ ক্ষেত্ৰত ই এটা গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। শ্ৰীছেহগালে ছেক্টৰ ফ'ৰৰ নেনী এৰিয়েল সংগমত স্থাপন কৰা আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ ষ্টুডিঅ' সমূহো নিৰীক্ষণ কৰে। তেওঁ এই ষ্টুডিঅ'সমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে মহাকুম্ভ মেলাৰ বিভিন্ন দিশৰ পুংখানুপুংখ প্ৰচাৰ নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ প্ৰসাৰ ভাৰতীয়ে আকাশবাণী, কুম্ভৱাণী, দূৰদৰ্শন আৰু ৱেভছ্ অ' টি টিৰ মাধ্যমেৰে  প্ৰায় ৭৫ৰ পৰা ১০০ কোটি লোকক সামৰি লৈছে বুলি প্ৰকাশ কৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে ইউটিউবাৰ ৰনভীৰ এলাহাবাদীয়াই সামাজিক মাধ্যম ইউটিউবত আগবঢ়োৱা কিছু বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে ৰুজু হোৱা কেইবাটাও গোচৰ সন্দৰ্ভত অভিযুক্তগৰাকীৰ ভাষ্য শুনাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰ বিচাৰপীঠে এলাহাবাদীয়াৰ অধিবক্তাই দাখিল কৰা প্ৰতিবেদনসমূহ কিছু দিনৰ ভিতৰতে বিবেচনা কৰিব বুলি জানিব দিয়ে। একেটা বিষয়তে আন এজন অভিযুক্ত কমেডীয়ান সময় ৰেইনাক পৰৱৰ্তী ৫ দিনৰ ভিতৰত মহাৰাষ্ট্ৰ ছাইবাৰ বিভাগ আৰু মহাৰাষ্ট্ৰ পুলিচে আদালতত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়ে।

০০০০০

ব্ৰীকছ্ দেশসমূহে আমেৰিকান ডলাৰৰ প্ৰতিদ্বন্দ্বি হিচাপে নতুন মুদ্ৰা প্ৰচলনৰ পৰিকল্পনা কৰি থকাৰ বিষয়ত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সমালোচনা কৰাৰ লগতে এনে কৰিলে ব্ৰীকছ্ গোটটোৰ মৃত্যু হ'ব বুলি সকীয়নি দিয়ে। এই পৰিকল্পনাৰ সৈতে আগবঢ়া দেশসমূহৰ ওপৰত ১০০ শতাংশ শুল্ক আৰোপ কৰিব বুলি ট্ৰাম্পে সকীয়াই দিয়ে। উল্লেখযোগ্য যে আন দেশসমূহে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামগ্ৰীৰ ওপৰত আৰোপ কৰা শুল্কৰ সৈতে মিলা নতুন শুল্ক জাৰি কৰিবলৈ নিৰ্দেশ দিয়া এখন স্মাৰক পত্ৰ স্বাক্ষৰ কৰাৰ পিছতেই ট্ৰাম্পে এইদৰে মত প্ৰকাশ কৰে। ট্ৰাম্পে লগতে উল্লেখ কৰে যে, ব্ৰীকছ্ গোটৰ অন্যতম প্ৰতিষ্ঠাপক দেশ ভাৰতকে ধৰি বহু কেইখন দেশে প্ৰস্তাৱিত পাৰস্পৰিক মুদ্ৰাৰ বিষয়টো ইতিমধ্যে প্ৰত্যাখ্যান কৰিছে।

০০০০০

এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতিৰ ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানিক প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম ৩ গৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। বচা বচা ১০০ গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

০০০০০

উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ আজি সামৰণি পৰিব। হল্দৱানীৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰকল্প চৌহদত আজি বিয়লি ২ বজাত এই সমাৰোহৰ সামৰণী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়া

সমাৰোহৰ শেহতীয়া ছটা সংস্কৰণত এইবেলি পঞ্চমবাৰৰ বাবে ছাৰ্ভিচেছে পদকৰ তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। দলটোৱে কালিৰ দিনটোতেই বিভিন্ন প্ৰতিযোগিতাত তিনিটা সোণকে ধৰি মুঠ ৯টা পদক অৰ্জন কৰে। ইয়াকে ধৰি শীৰ্ষ স্থান অধিকাৰ কৰা ছাৰ্ভিচেছে প্ৰতিযোগিতাত ৬৮টা সোণ, ২৬টা ৰূপ আৰু ২৭টা ব্ৰঞ্জৰ পদক লাভ কৰে। দ্বিতীয় স্থান অধিকাৰ কৰা মহাৰাষ্ট্ৰই ৫৪ টা সোণ, ৭১ টা ৰূপ আৰু ৭৩ টা ব্ৰঞ্জৰ পদক আৰু তৃতীয় স্থানৰ হাৰিয়ানাই ৪৮ টা সোণ, ৪৭টা ৰূপ আৰু ৫৮ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

উল্লেখযোগ্য যে, আজি আয়োজিত ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ  সামৰণী অনুষ্ঠানত কেন্দ্ৰীয় গৃহ আৰু সমবায় দপ্তৰৰ মন্ত্ৰী অমিত শ্বাহে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানটিক আকৰ্ষণীয় তথা আড়ম্বৰ পূৰ্ণ কৰি তোলাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তোলা হৈছে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২৮ জানুৱাৰীত ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ক্ৰীড়া মহাবিদ্যালয়ত এই সমাৰোহ আনুষ্ঠানিকভাৱে মুকলি কৰিছিল।

আজিৰ সামৰণী অনুষ্ঠানত কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মনসুখ মন্দাভিয়া, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামী, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, কেন্দ্ৰীয় পথ পৰিবহণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অজয় টামটা আৰু ক্ৰীড়া আৰু যুৱকল্যাণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী নিখিল খাড়ছে আৰু ভাৰতীয় অলিম্পিক সংস্থাৰ সভাপতি তথা সাংসদ পি টি ঊষাকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকিব।

ooooo

আই এছ এল ফুটবল প্ৰতিযোগিতাত আজি ভূবনেশ্বৰত হ'বলগীয়া এখন খেলত ওড়িশা ফণ্টিয়াৰ ক্লাব হায়দৰাবাদ ফ্লণ্টিয়াৰ ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে কালি জামছেদপুৰত অনুষ্ঠিত এখন খেলত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে জামছেদপুৰ ফুটবল ক্লাবক ২-০ গলত পৰাস্ত কৰে। নৰ্থ ইষ্ট ইউনাইটেডে আই এছ এল ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত দুয়োটা দলৰ মাজত হোৱা ৬ খন খেলৰ ভিতৰত এইবাৰ প্ৰথমবাৰৰ বাবে জয়লাভ কৰিছে। নৰ্থ ইষ্ট ইউনাইটেড অহা ২১ ফেব্ৰুৱাৰীত শ্বিলঙত হ'বলগীয়া এখন খেলত বেংগালুৰু ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**